জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩/২০২১

# বিশিষ্ট নাট্যকাৰ সেৰাব্ৰত বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ জানুৱাৰী ঃ** বিশিষ্ট নাট্যকাৰ, অভিনেতা সেৰাব্ৰত বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়াত সেৰাব্ৰত বৰুৱাই আমাৰ নাট্য জগতলৈ যি অৱদান আগবঢ়াই গৈছে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সমাজ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি তেখেতে ৰচনা কৰা নাটকসমূহে অসমৰ ভ্ৰাম্যমান নাট্য মাঞ্চত প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল। প্ৰয়াত বৰুৱাই এমেচাৰ নাটকৰ অসংখ্য নাটক লিখাৰ উপৰি ভ্ৰাম্যমান থিয়েটাৰৰ বাবে বহু নাটক লিখিছিল। তেখেতৰ সৃষ্টিৰাজিয়ে অসমীয়া নাট্য জগতক সদায়ে উদ্বুদ্ধ কৰি যাব। এইগৰাকী বিশিষ্ট নাট্যকাৰৰ বিয়োগ আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সেৰাব্ৰত বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৪/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in